# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 23-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰিব।

২। ৰাষ্ট্ৰৰ প্ৰগতিলৈ কৃষকসকলৰ অৱদানৰ সন্মানাৰ্থে আজি ৰাষ্ট্ৰীয় কৃষক দিৱস উদযাপন কৰা হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঐতিহাসিক কুৱেইট ভ্ৰমণকালত প্ৰতিৰক্ষা সহযোগিতাৰ পৰা সাংস্কৃতিক বিনিময়লৈকে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ যথেষ্ট উন্নতি পৰিলক্ষিত হৈছে।

**আৰু**

৪। মহিলা ক্ৰিকেটত ভাৰতীয় অপেনাৰ স্মৃতি মান্ধানাই একেটা কেলেণ্ডাৰ বৰ্ষত সৰ্বাধিক ৰাণ কৰা খেলুৱৈ হিচাপে নতুন অভিলেখ স্থাপন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰিব। দেশৰ ৪৫খন ঠাইত আয়োজিত এই নিযুক্তি মেলাত প্ৰধানমন্ত্ৰীয়ে ভাষণো দিব। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগত খালী পদসমূহ পূৰণৰ বাবে এই নিযুক্তি দিয়া হ'ব। ২০২২ চনৰ অক্টোবৰ মাহত আৰম্ভ হোৱা ৰোজগাৰ মেলা এতিয়ালৈকে ৫০খন চহৰত ৰাষ্ট্ৰীয় পৰ্যায়ত ১৩বাৰ আয়োজন কৰা হৈছে। বিভিন্ন চৰকাৰী বিভাগ আৰু মন্ত্ৰালয়ৰ খালী পদ পূৰণৰ দিশত পদক্ষেপ হিচাপে এই ৰোজগাৰ মেলাসমূহত লাখ লাখ নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। নতুনকৈ নিযুক্তিপ্ৰাপ্ত সকলে গৃহ পৰিক্ৰমা, উচ্চ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা আদি বিভাগত যোগদান কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱ সমাজক কৰ্মসংস্থাপন প্ৰদানত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছিল। সেই প্ৰতিশ্ৰুতিৰ অংশ হিচাপে এই নিযুক্তি মেলাৰ আয়োজন কৰা হৈছে। যুৱ সমাজক ৰাষ্ট্ৰ নিৰ্মাণত অংশগ্ৰহণ আৰু আত্মনিৰ্ভৰশীল কৰাৰ ক্ষেত্ৰত এই নিযুক্তিয়ে সহায় কৰিব।

ooooo

ৰাষ্ট্ৰৰ প্ৰগতিলৈ কৃষকসকলৰ অৱদানৰ সন্মানাৰ্থে আজি ৰাষ্ট্ৰীয় কৃষক দিৱস উদযাপন কৰা হ'ব। এই বিশেষ দিনটোত খাদ্য সুৰক্ষা সুনিশ্চিতকৰণ, গ্ৰাম্য অৰ্থব্যৱস্থা সৱলীকৰণ আৰু দেশৰ কৃষি ঐতিহ্য সংৰক্ষণত কৃষকসকলৰ ভূমিকাক স্মৰণ কৰা হ'ব।

উল্লেখযোগ্য যে কৃষকসকলৰ ভূমিকাক সন্মান যাঁচি তেওঁলোকৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী কৃষক মান-ধন যোজনা অন্যতম। এই আঁচনিসমূহৰ অধীনত আৰ্থিক সুৰক্ষা, বিপদাশংকা হ্ৰাসৰ উপায়ৰ লগতে কৃষকসকললৈ দীৰ্ঘম্যাদী সামাজিক সুৰক্ষা প্ৰদান কৰি আহিছে। দেশত

চলিত বৰ্ষত অভিলেখ সংখ্যক ৩৩ কোটি ২২ লাখ টন শস্য উৎপাদন কৰা হৈছে। বিগত বৰ্ষত এই পৰিমাণ ৩২ কোটি ৯৭ লাখ টন আছিল।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঐতিহাসিক কুৱেইট ভ্ৰমণকালত প্ৰতিৰক্ষা সহযোগিতাৰ পৰা সাংস্কৃতিক বিনিময়লৈকে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ যথেষ্ট উন্নতি পৰিলক্ষিত হৈছে।

প্ৰতিৰক্ষা সহযোগিতাৰ ক্ষেত্ৰত বিস্তৃত বুজাবুজিৰ চুক্তিৰে দ্বিপাক্ষিক সামৰিক সহযোগিতাৰ পৰিকাঠামো স্থাপন কৰা হৈছে। এই চুক্তিত প্ৰশিক্ষণ কাৰ্যসূচী, কৰ্মী বিনিময়, যুটীয়া সামৰিক অনুশীলন আৰু প্ৰতিৰক্ষা উদ্যোগৰ উন্নয়নৰ সহযোগিতা আদি অন্তৰ্ভুক্ত কৰা হৈছে। এই চুক্তিৰ জৰিয়তে প্ৰতিৰক্ষা সঁজুলি যোগান আৰু যুটীয়া গৱেষণা পদক্ষেপৰ ব্যৱস্থা কৰা হৈছে, যাৰ ফলত দুয়োখন দেশৰ মাজত সামৰিক সম্পৰ্কৰ পৰিসৰ বৃদ্ধি পাইছে।

২০২৫-২৯ বৰ্ষ পৰ্যন্ত সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ দুয়োখন দেশে লক্ষ্য নিৰ্ধাৰণ কৰিছে। বিভিন্ন কলাত্মক আৰু সাংস্কৃতিক পদক্ষেপৰ জৰিয়তে জনসাধাৰণৰ মাজত সুদৃঢ় সম্পৰ্ক স্থাপন কৰিবলৈ বিচৰা হৈছে। এই কাৰ্যসূচীৰ দ্বাৰা উভয় দেশৰ সংগীত, নৃত্য, সাহিত্য আৰু নাটককে ধৰি একাধিক সৃষ্টিশীল শাখাত আদান-প্ৰদানৰ সুবিধাৰ লগতে সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু উৎসৱ আয়োজনতো গুৰুত্ব আৰোপ কৰা হৈছে।

ক্ৰীড়াৰ ক্ষেত্ৰতো ২০২৫-২৮ বৰ্ষৰ ভিতৰত হ'বলগীয়া ক্ৰীড়াসমূহৰ বাবে দুয়ো দেশৰ সহযোগিতাৰ কাৰ্যসূচী নিৰূপণ কৰা হৈছে। এই চুক্তিয়ে ক্ৰীড়া চিকিৎসা, পৰিচালনা, সংবাদমাধ্যম আৰু ক্ৰীড়া বিজ্ঞানক সামৰি লৈছে, যিয়ে দুয়োখন দেশৰ মাজত এথলেটিক সহযোগিতাৰ পথ সৃষ্টি কৰিছে।

উল্লেখযোগ্য যে কুৱেইটে আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটত যোগদান কৰা সিদ্ধান্তই পৰিৱেশ সহযোগিতাৰ দিশত নতুন পদক্ষেপৰূপে পৰিগণিত হৈছে। ইয়াৰ জৰিয়তে দুয়োখন দেশে সৌৰশক্তিৰ নিয়োগক প্ৰসাৰিত কৰাৰ প্ৰচেষ্টাত একত্ৰিত হ'ব আৰু নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধিৰ ক্ষেত্ৰত প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰি কম কাৰ্বনযুক্ত উন্নয়নৰ লক্ষ্যত অৰিহণা আগবঢ়াব পাৰিব।

00000

ভাৰত আৰু কুৱেইটে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদকে ধৰি ইয়াৰ সকলো ৰূপ আৰু প্ৰকাশভংগীক গৰিহণা দিছে। দুয়োখন দেশেই সন্ত্ৰাসবাদৰ বিত্তীয় নেটৱৰ্ক আৰু নিৰাপদ আশ্ৰয়স্থল বিঘ্নিত কৰাৰ লগতে ইয়াৰ আন্তঃগাঁথনি ভাঙি পেলাবলৈও সকলোলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কুৱেইট ভ্ৰমণৰ সময়ছোৱাত দুয়ো পক্ষই সন্ত্ৰাসবাদ বিৰোধী অভিযান, চাইবাৰ নিৰাপত্তা আৰু সন্ত্ৰাসবাদ প্ৰতিৰোধৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰে। বৈদেশিক মন্ত্ৰালয়ে এটা যুটীয়া বিবৃতিযোগে প্ৰকাশ কৰে যে, দুয়োখন দেশে সন্ত্ৰাসবাদ বিৰোধী অভিযানত সহযোগিতা বৃদ্ধিৰ বাবে সন্মতি প্ৰদান কৰিছে। বিবৃতিটোত লগতে কোৱা হৈছে যে দুয়োপক্ষই আইন প্ৰৱৰ্তনকাৰী সংস্থাসমূহক সহযোগিতা আগবঢ়োৱা, ধন তথা নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় অপৰাধ প্ৰতিৰোধৰ ক্ষেত্ৰটো সহযোগিতা আগবঢ়াব বুলি সন্মতি প্ৰদান কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বৰদিন উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰতীয় কেথলিক বিছপ সন্মিলনে আয়োজন কৰা এই অনুষ্ঠানত শ্ৰীমোদীয়ে খ্ৰীষ্টিয়ান সম্প্ৰদায়ৰ

কার্ডিনেল, বিছপকে ধৰি গীৰ্জাৰ আন আন নেতৃস্থানীয় ব্যক্তিৰ সৈতে মত বিনিময় কৰিব। এয়া হৈছে দেশৰ কেথলিক গীৰ্জাঘৰত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰথমটো এনে অনুষ্ঠান।

০০০০০

কৰ্মচাৰী, জন অভিযোগ আৰু পেন্সন বিভাগৰ ৰাজ্য মন্ত্ৰী ডাঃ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত সু-শাসনৰ পদ্ধতি সম্পৰ্কীয় ৰাষ্ট্ৰীয় কৰ্মশালা উদ্বোধন কৰিব। আটাইবোৰ মন্ত্ৰ্যালয় আৰু বিভাগৰ বিষয়ববীয়াসকলে এই কৰ্মশালাত অংশগ্ৰহণ কৰিব। ডঃ সিঙে লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে তত্বাৱধান কৰা স্বচ্ছতা অভিযানৰ চতুৰ্থ পৰ্যায়ৰ উত্তম পদ্ধতিসমূহৰ বিষয়ে প্ৰদৰ্শনী উদ্বোধন কৰিব। ২০২১ৰ পৰা ২০২৪ চনলৈ প্ৰশাসনিক সংস্কাৰ আৰু জন অভিযোগ বিভাগে আয়োজন কৰা এয়া হৈছে চতুৰ্থখন ৰাষ্ট্ৰীয় কৰ্মশালা। প্ৰতিবছৰে ১৯ৰ পৰা ২৫ ডিচেম্বৰলৈ উদযাপন কৰা সু-শাসন সপ্তাহৰ ই এটা অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে।

চতুৰ্থ সু-শাসন সপ্তাহ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাত কয়, যে সু-শাসন ৰাষ্ট্ৰৰ প্ৰগতিৰ অন্যতম ছাবিকাঠি। জনসাধাৰণৰ সামগ্ৰিক কল্যাণ আৰু উন্নতিৰ বাবে স্বচ্ছ, দক্ষ আৰু দায়িত্বশীল প্ৰশাসন ব্যৱস্থা অত্যাৰশ্যকীয় বুলি তেওঁ মন্তব্য কৰে।

০০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰ্যালয়ে বিমান বন্দৰত **উড়ান যাত্ৰী কেফে** মুকলি কৰাৰ কথা ঘোষণা কৰিছে। এই ঘোষণাই বিমান যাত্ৰীসকলক বৃহৎ সকাহ দিছে। উল্লেখযোগ্য যে কেফেসমূহত খাদ্য আৰু পানীৰ দৰে অত্যাৰশ্যকীয় সামগ্ৰীসমূহ তুলনামূলকভাৱে কম মূল্যত উপলব্ধ হ'ব। ইতিমধ্যে কলকাতা বিমান বন্দৰত এই ধৰণৰ প্ৰথমখন কেফে পৰীক্ষামূলকভাৱে মুকলি কৰা হৈছে। এই কেফেখনৰ সফলতাৰ পাছৰ পৰ্যায়ত দেশৰ অন্যান্য বিমান বন্দৰসমূহতো এই পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণে সদৰি কৰিছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **চৰকাৰৰ অটল উদ্ভাৱন অভিযান ঃ ভাৰতৰ উদ্ভাৱন আৰু উদ্যোগীকৰণৰ পৰিৱেশতন্ত্ৰ শক্তিশালী কৰা** সন্দৰ্ভত নীটি আয়োগৰ অটল উদ্ভাৱন অভিযানৰ সঞ্চালক ড০ চিন্তন বৈষ্ণৱৰ সৈতে হোৱা এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত 011-2342 1050 আৰু 011 2331 4444 নম্বৰত ফোন কৰি গ্ৰাহকৰ অধিকাৰ আৰু দায়িত্ব সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে 92890 94044 নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেচটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব।

০০০০০

বিহাৰৰ ঔৰংগবাদ জিলাৰ মদনপুৰ আৰক্ষী চকী অঞ্চলত চি আৰ পি এফে জিলা আৰক্ষীয়ে কালি আই ই ডি উদ্ধাৰ কৰি নিৰাপত্তা বাহিনীৰ ওপৰত হ'ব পৰা সাম্ভাব্য আক্ৰমণ প্ৰতিহত কৰে। আৰক্ষীয়ে জনোৱা মতে বোমা নিষ্ক্ৰিয়কাৰী গোটৰ সহায়ত চক্ৰান্ধা এলেকাত ৪টা আই ই ডি নিষ্ক্ৰিয় কৰা হয়। এই বোমাসমূহ নিৰাপত্তাৰক্ষীলৈ আক্ৰমণৰ উদ্দেশ্যে ৰখা হৈছিল। নিৰাপত্তাবাহিনীয়ে নক্সাল বিৰোধী অভিযানকালত বোমাসমূহ উদ্ধাৰ কৰে। আৰক্ষীয়ে জনোৱা মতে অঞ্চলটোত নক্সাল বিৰোধী অভিযান তীব্ৰতৰ হৈছে।

০০০০০

ভাৰতীয় অপেনাৰ স্মৃতি মান্ধানাই কালি মহিলা ক্ৰিকেটত নতুন অভিলেখ গঢ়ে । বদোদৰাত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমখন এদিনীয়াত ৯১ ৰাণ কৰি মান্ধানাই ২০২৪ বৰ্ষত সামগ্ৰিকভাৱে সংগ্ৰহ কৰা এহেজাৰ ৬০২ ৰানৰ জৰিয়তে দক্ষিণ আফ্ৰিকাৰ লৌৰা ৱ'লভাৰ্টৰ এহেজাৰ ৫৯৩ ৰাণৰ অতিক্ৰম কৰি একেটা কেলেণ্ডাৰ বৰ্ষত সৰ্বাধিক ৰাণ কৰা খেলুৱৈ ৰূপে পৰিগণিত হয়। মাত্ৰ ৩৬ খন খেলতে খেলুৱৈগৰাকী এই অভিলেখৰ গৰাকী হৈছে। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলাৰ দুখন খেল বাকী থকা অৱস্থাত তেওঁ নিজৰ ৰানৰ পৰিমাণ অধিক বৃদ্ধি কৰাৰ সুযোগ পাব। উল্লেখযোগ্য যে চলিত মাহতে টি-টুৱেণ্টিত ৭৬৩ ৰাণেৰে মান্ধানাই এটা কেলেণ্ডাৰ বৰ্ষত সৰ্বাধিক ৰাণ কৰাৰ উপৰি মহিলা টি-টুৱেণ্টি ক্ৰিকেটত সৰ্বাধিক অৰ্ধশতকৰো অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছিল।

০০০০০

সমাপ্ত